# JP-1-03

This booklet contains 20 pages.
इस पुस्तिका में 20 पृष्ठ हैं ।

**PAPER I / प्रश्न-पत्र I**
**Assamese Language Supplement**
**असमी भाषा परिशिष्ट**
**PART IV & V / भाग IV & V**

Test Booklet Code
परीक्षा पुस्तिका संकेत

**A**

Test Booklet No.
परीक्षा पुस्तिका संख्या

301229

**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए ।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20)पर दिए निर्देशों को ध्यान से पढ़ें ।**

**For instructions in Assamese see Page 2 of this Booklet. / असमी में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें ।**

## *INSTRUCTIONS FOR CANDIDATES*

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **Assamese** language, but **NOT BOTH**.
2. Candidates are required to answer Parts I, II, III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Blue / Black Ball Point Pen only** for writing particulars on this page / marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is A. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of 60 Objective Type Questions, each carrying 1 mark :
   Part-IV : Language I - (Assamese) (Q. 91 to Q. 120)
   Part-V : Language II - (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a language other than Assamese, please ask for a Test Booklet that contains questions on that language. The languages being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part -V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

## *परीक्षार्थियों के लिए निर्देश*

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट **है**, उन परीक्षार्थियों के लिए जो या तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमी** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं** ।
2. परीक्षार्थी भाग I, II, III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से ।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं । भाषा परिशिष्टों को आप अलग से माँग सकते हैं ।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल नीले/काले बॉल पॉइंट पेन** का प्रयोग करें ।
5. इस भाषा पुस्तिका का **संकेत** है **A** । यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है । अगर यह भिन्न हो तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V **हैं**, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा I - (असमी) (प्र. 91 से प्र. 120)
   भाग-V : भाषा II - (असमी) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं । इस परीक्षा पुस्तिका में केवल असमी भाषा से संबंधित प्रश्न दिए गए हैं । **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमी के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए । जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए ।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा I (भाग-IV) में चुनी गई भाषा से भिन्न हो ।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें ।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें । अपने उत्तर ध्यानपूर्वक अंकित करें । उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है ।

Name of the Candidate (in Capitals) : ____________________
परीक्षार्थी का नाम (बड़े अक्षरों में) :

Roll Number : in figures ____________________
अनुक्रमांक : (अंकों में)
: in words ____________________
: (शब्दों में)

Centre of Examination (in Capitals) : ____________________
परीक्षा केन्द्र (बड़े अक्षरों में) :

Candidate's Signature : ____________________ Invigilator's Signature : ____________________
परीक्षार्थी के हस्ताक्षर : निरीक्षक के हस्ताक्षर :

Facsimile signature stamp of
Centre Superintendent ____________________

SEAL

এই পৰীক্ষা বহীত 20টা পৃষ্ঠা আছে

# JP-1-03

পৰীক্ষা বহীখনৰ কোড **A**

## কাকত I

## অসমীয়া ভাষা

## খণ্ড IV & V

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা ।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাতিত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া ।**

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে অসমীয়া ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে । কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব ।
2. পৰীক্ষাৰ্থী সকলে মুখ্য পৰীক্ষা বহীৰ পৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব ।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ সৈতে দিয়া হৈছে । ভাষা সহায়ক সমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব ।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/কলা বল পেন** ব্যৱহাৰ কৰিবা ।
5. এইখন ভাষা বহীৰ কোড হ'ল A . এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি**, মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে । পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই লব ।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত **60**টা চমুধৰণৰ প্ৰশ্ন আছে । প্ৰত্যেক প্ৰশ্নতে ১ নম্বৰকৈ দিয়া হৈছে :
   খণ্ড IV : ভাষা I – (অসমীয়া) *(প্ৰশ্ন 91 ৰ পৰা প্ৰশ্ন 120 লৈ)*
   খণ্ড V : ভাষা II – (অসমীয়া) *(প্ৰশ্ন 121 ৰ পৰা প্ৰশ্ন 150 লৈ)*
7. খণ্ড IV তো ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে । এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে । **ভাষাৰ ক্ষেত্ৰত যদি ভাষা I অথবা ভাষা II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহলে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি লবা । তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা ।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব ।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব ।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকততহে লিপিবদ্ধ কৰিব লাগিব । তোমাৰ উত্তৰবোৰ সযত্নে কৰা । উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা ।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ____________________

ৰোলনম্বৰ : সংখ্যাৰে : ____________________

: আখৰেৰে : ____________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ____________________

প্ৰাৰ্থীৰ চহী : ____________________ নিৰীক্ষকৰ চহী : ____________________

Facsimile signature stamp of
Centre Superintendent ____________________

পৰীক্ষাৰ্থীয়ে নিম্নলিখিত ভাগৰ প্ৰশ্নবোৰৰ উত্তৰ তেতিয়াহে কৰিব যদি তেওঁলোকে **ভাষা** II ৰ বিকল্প **অসমীয়া** লৈছে ।

# খণ্ড – IV
## ভাষা – I
## অসমীয়া

**নির্দেশ** : নিম্নোক্ত গদ্যাংশ ভালদৰে পঢ়া । গদ্যাংশৰ তলত দিয়া নটা প্ৰশ্নৰ (প্ৰশ্ন **91** ৰ পৰা **99** লৈ) প্ৰতিটোৰে চাৰিটাকৈ উত্তৰ দিয়া আছে । তাৰ পৰা অতি উপযুক্ত উত্তৰটো চিহ্নিত কৰি প্ৰতিটো প্ৰশ্নৰ উত্তৰ কৰা ।

বধকাব্যসমূহ ঘাইকৈ গণ-চিত্ত আকৃষ্ট কৰিবৰ কাৰেণ যুগুত কৰা হৈছিল । লোক-চিত্ত শিশুৰ দৰে সৰল আৰু সহজ-বিশ্বাসী । শিশুৰ মনত প্ৰাকৃতিক, অপ্ৰাকৃতিক, বাস্তৱ-কল্পনাৰ প্ৰভেদ নাই । সকলো সমপৰ্যায়ৰ । সেই কাৰণেই প্ৰতিখনি কাব্যতে দেৱ-দেৱী, দানৱ-মানৱ, পশু-পক্ষীৰ লৌকিক-অলৌকিক ঘটনাৱলীৰ অদ্ভুত-আশ্চৰ্য ৰূপৰ সমাবেশ ঘটিছে । বিবিধ সৰ্গত সৰু-বৰ ঘটনা আৰু অজেয় অসুৰ অথবা অলৌকিক শক্তিসম্পন্ন পুৰুষৰ আখ্যান সিঁচৰতি হৈ আছে । ঘটনা-বহুল আৰু চৰিত্ৰ-সংকুল হোৱা সত্বেও কাব্যৰ আদি, মধ্য আৰু অন্তৰ লগত সংযোগ হেৰোৱা নাই; গোটেই কাব্যতে অখণ্ডতাৰ ৰূপ, সমগ্ৰতাৰ ভাব প্ৰস্ফুটিত হৈছে । কৰ্মফল বিশ্বাসী ভাৰতীয় আদৰ্শত ট্ৰেজেডিৰ স্থান নাই । গতিকে ধৰ্মৰ জয় অধৰ্মৰ পৰাজয় নীতি ব্যাখ্যা কৰি আনন্দৰ মাজত প্ৰতিখনি কাব্যৰ শুভ সমাপ্তি ঘটিছে ।

কাব্যৰ বিষয় অসুৰ আৰু মানুহৰ মাজত হোৱা সংঘৰ্ষত গঢ় লৈ উঠিছে । বিশেষকৈ বনবাসী পাণ্ডৱৰ জীৱনত ঘটা অনৰ্থ আৰু বিপদ-ৰাশিৰ ওপৰতে কাব্যৰ আখ্যানে পৰিপুষ্টি লভিছে । কোনো এক দেৱতাৰ অনুগ্ৰহ লভি নতুবা দেৱ-দত্ত শক্তিৰ বলত দুৰ্বল মানুহৰ ওপৰত আসুৰিক অত্যাচাৰ আৰম্ভ হয় । কিন্তু ভক্তৰ সহায় ভগৱান;

সংকটৰ সময়ত ভগৱান উপস্থিত হৈ ছলে-বলে কৌশলেৰে শত্ৰুৰ দৰ্প চূৰ্ণ কৰিবলৈ সক্ষম হৈছে । দেৱশক্তিৰ সহায় নহ'লে আত্মশক্তিৰ ওপৰত 'সংসাৰ গহন বন'ত চলা সহজ নহয় । 'হৰিত বিশ্বাস' হ'লে অলক্ষ্যে থাকিও ভগৱানে সদা-সৰ্বদা ভক্তক পালন কৰে । কিন্তু বধ-কাব্যসমূহত ভক্তৰ ভক্তিৰ মহিমা প্ৰকাশ পালেও দৈৱ-দুৰ্বিপাকত অথৱা অদৃষ্টৰ হেতু অপৰাজেয় অসুৰৰ পতনত সহানুভূতিৰ উদ্ৰেক নোহোৱাকৈ নাথাকে, যদিও অপাত্ৰত কৰুণা নিদৰ্শন সংস্কৃত আলংকাৰিক সকলৰ মতে নিষেধ ।

ডক্টৰ কাকতিয়ে মন্তব্য কৰিছে যে বধ-কাব্যবোৰৰ প্ৰত্যেকখনেই ৰূপকতকৈ আখ্যান হিচাপে বেছি মনোৰম, ঠায়ে ঠায়ে কবিয়ে চৰিত্ৰ অংকনত এনে সূক্ষ্ম তুলিকা স্পৰ্শ দিছে যে বিস্ময় মানিব লাগে । ডক্টৰ কাকতিয়ে 'অশ্বকৰ্ণ-যুদ্ধ'ৰ পৰা ভীম, অৰ্জুন আৰু হেমা সুন্দৰীৰ চৰিত্ৰ সুন্দৰভাৱে বিশ্লেষণ কৰি এই উক্তিৰ যথাৰ্থতা প্ৰমাণ কৰিছে । এই একে কথাকে অন্যান্য বধ-কাব্যৰ বিষয়েও ক'ব পাৰি । কাব্যৰ নায়ক-নায়িকা পৌৰাণিক হ'লেও গণ-চিত্ত স্পৰ্শ কৰিবৰ কাৰণে কবিয়ে তেওঁলোকৰ চৰিত্ৰ ভালেখিনি সাধাৰণ মানুহৰ আদৰ্শত গঢ়ি তুলিছে ।

**91.** ট্ৰেজেডিৰ স্থান নাই -

(1) বধকাব্যসমূহত

(2) ঈশ্বৰ ভক্তিত

(3) কৰ্মফল বিশ্বাসী ভাৰতীয় আদৰ্শত

(4) অলৌকিক শক্তিসম্পন্ন পুৰুষৰ আখ্যানত

**92.** অখণ্ডতাৰ ৰূপ আৰু সমগ্ৰতাৰ ভাব প্ৰস্ফুটিত হৈছে -

(1) ট্ৰেজেডিত

(2) ভাৰতীয় আদৰ্শত

(3) বধকাব্যসমূহত

(4) হৰিভক্তিত

**93.** ভগৱান কাৰ সহায়ক ?

(1) ভক্তৰ (2) দেৱতাৰ

(3) অসুৰৰ (4) হেমা সুন্দৰীৰ

**94.** কি শক্তিৰ সহায় অবিহনে সংসাৰত চলা সহজ নহয় ?

(1) আত্মশক্তিৰ

(2) দৈৱশক্তিৰ

(3) শক্তিসম্পন্ন পুৰুষৰ

(4) আসুৰিক শক্তিৰ

**95.** ছলে-বলে কৌশলেৰে ভগৱানে দৰ্প চূৰ্ণ কৰিবলৈ সক্ষম হৈছে -

(1) শত্ৰুৰ (2) অসুৰৰ

(3) দেৱতাৰ (4) ভক্তৰ

**96.** অপাত্ৰত কৰুণা দান কৰিবলৈ কোনে নিষেধ কৰিছে ?

(1) ভগৱানে

(2) দেৱতাসকলে

(3) ডক্টৰ কাকতিয়ে

(4) সংস্কৃত আলংকাৰিক সকলে

**97.** 'বধকাব্যসমূহ ৰূপকতকৈ আখ্যান হিচাপে বেছি মনোৰম' বুলি মন্তব্য কৰা ব্যক্তিগৰাকী হৈছে -

(1) বধকাব্যৰ ৰচক

(2) ট্ৰেজেডিৰ প্ৰণেতা

(3) ডক্টৰ বাণীকান্ত কাকতি

(4) ঈশ্বৰৰ ভক্ত

**98.** লোক-চিত্তৰ প্ৰকৃতি হৈছে -

(1) বাস্তৱ-কল্পনাৰ প্ৰভেদ নোহোৱা

(2) গণ-চিত্ত আকৰ্ষক

(3) ঘটনা বহুল

(4) শিশুৰ দৰে সৰল আৰু সহজ-বিশ্বাসী

**99.** বধকাব্যসমূহ ৰচনা কৰা হৈছিল -

(1) ধৰ্ম প্ৰচাৰক বাবে

(2) গন-চিত্তক আকৰ্ষন কৰিবৰ কাৰনে

(3) সাহিত্য সৃষ্টিৰ উদ্দেশ্যেৰে

(4) উদ্দেশ্য বিহীন ভাৱে

**নির্দেশ** : নিম্নোক্ত পদ্যাংশ ভালদৰে পঢ়া । পদ্যাংশৰ তলত দিয়া ছটা প্রশ্নৰ (প্রশ্ন **100** ৰ পৰা **105** লৈ) প্রতিটোৰে চাৰিটাকৈ উত্তৰ দিয়া আছে । তাৰ পৰা অতি উপযুক্ত উত্তৰটো চিহ্নিত কৰি প্রতিটো প্রশ্নৰ উত্তৰ কৰা ।

আৰো চাৰি কাৰ্য্য শৰতে সাধিলে
 শুনা দেওঁ তাৰ লেখা ।
আকাশত মেঘ যতেক আছিল
 গুচাইল তাক প্ৰথমে ।।
যত জীৱ-জন্তু সঙ্কটে আছিল
 ঘোৰ বাৰিষাৰ পদে ।
শৰৎকালত তৰল বিৰলে
 বঞ্চিল ইচ্ছা সুখদে ।।
পৃথিৱীৰ সৰে কৰ্দম গুচিল
 ডৈ গৈল পথ সুচল ।
যত জলমানে সৰে স্বচ্ছ ডৈল
 শৰতে হৰিল মল ।।

**100.** শৰৎকালে সাধন কৰা **দ্বিতীয়** কাৰ্য হৈছে -

(1) পানী তৰাং কৰিলে

(2) পানী নিৰ্মল কৰিলে

(3) আকাশৰ মেঘবোৰ আঁতৰালে

(4) বোকা গুচালে

**101.** পৃথিৱীৰ পৰা বোকা কোনে গুচালে ?

(1) বাৰিষাকালে

(2) জীৱ-জন্তুবোৰে

(3) শৰৎকালে

(4) আকাশৰ মেঘে

**102.** 'কৰ্দ্দম' শব্দ অৰ্থ হৈছে -

(1) শৰৎ (2) বোকা

(3) বাৰিষা (4) মেঘ

**103.** শৰৎকালে সাধন কৰা <u>তৃতীয়</u> কাৰ্য হৈছে -

(1) পানী তৰাং কৰিলে

(2) পানী নিৰ্মল কৰিলে

(3) আকাশৰ মেঘবোৰ আঁতৰালে

(4) বোকা গুচালে

**104.** শৰৎকালে সাধন কৰা প্ৰথম কাৰ্য হৈছে -

(1) পানী নিৰ্মল কৰিলে

(2) আকাশৰ মেঘবোৰ আঁতৰালে

(3) বোকা গুচালে

(4) জীৱ-জন্তুক ৰক্ষা কৰিলে

**105.** বাৰিষাকালত জীৱ-জন্তুবোৰ কেনেকৈ আছিল ?

(1) আনন্দমনেৰে (2) সাঁতুৰি-নাদুৰি

(3) পথৰ-দাঁতিত (4) সঙ্কটত

**নির্দেশ** : আটাইতকৈ উপযুক্ত উত্তৰ নিৰ্বাচন কৰি তলৰ প্ৰশ্নবোৰৰ উত্তৰ কৰা ।

**106.** পঠনৰ সময়ত তলত উল্লেখ কৰা কোনটো পদে বাক্যত ব্যৱহৃত কোনো বিশেষ্য শব্দক সূচিত কৰে ?

(1) ক্ৰিয়া বিশেষণ

(2) সৰ্বনাম

(3) সংজ্ঞাবাচক বিশেষ্য

(4) খণ্ড-বাক্য সদৃশ ক্ৰিয়া

**107.** তলৰ কোনটো বাক্য শুদ্ধ ? (সংকেত : বাছখন ধৰিবলৈ কোন দৌৰিছে সেই বিষয়ে ভাবা ।)

(1) বাছখন ধৰিবলৈ দৌৰা-দৌৰি কৰোঁতে, বুঢ়া মানুহজনে পিছল খালে আৰু পৰি গ'ল ।

(2) বাছখন ধৰিবলৈ দৌৰা-দৌৰি কৰোঁতে, বুঢ়া মানুহজনৰ জেপত থকা সৰু মোনাখন পৰি গ'ল ।

(3) বাছখন ধৰিবলৈ দৌৰা-দৌৰি কৰোঁতে, বুঢ়া মানুহজনৰ মুখখন ঘামেৰে পূৰ্ণ হ'ল ।

(4) বাছখন ধৰিবলৈ দৌৰা-দৌৰি কৰোঁতে, বুঢ়া মানুহজনৰ বৰ্ধিত বয়স অভিশাপ স্বৰূপ হ'ল ।

**108.** তলৰ কোনটো বক্তব্যৰ বাহিৰে বাকী সকলো বক্তব্যই শ্ৰৱণ আচৰনৰ বৰ্ণনা সূচক ?

(1) সযত্ন শ্ৰৱণে বক্তাৰ কাৰ্যৰ পূৰ্ব ধাৰণা দিয়ে

(2) মানুহে নিৰ্বাচন কৰি শুনিবলৈ শিকে আৰু আনকি অনাকাংক্ষিতক ৰোধ কৰিবও পাৰে

(3) এগৰাকী ভাল শ্ৰোতা হোৱাৰ সক্ষমতা স্বাভাৱিক ভাৱেহে হয়, কোনো প্ৰশিক্ষনৰ জৰিয়তে নহয়

(4) শ্ৰৱন হৈছে সকলো যোগাযোগৰ এক-অৰ্দ্ধাংশ

**109.** 'দাহ্য' শব্দটোৰ উচ্চাৰণ শিকোৱাৰ সময়ত তুমি -

(1) ছাত্ৰ-ছাত্ৰীক বিকল্প হিচাপে অসমীয়া ভাষাৰ সদৃশ শব্দৰ ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিবা ।

(2) ইয়াৰ অৰ্থ বিচাৰি শ্ৰেণীত দিবা ।

(3) উচ্চাৰণৰ নিয়ম থকা অভিধান ব্যৱহাৰ কৰিবা আৰু শব্দটো শুদ্ধকৈ উচ্চাৰণ কৰি ছাত্ৰ-ছাত্ৰীক শুনিবলৈ কবা ।

(4) এইটো বিদেশী শব্দ বুলি ছাত্ৰ-ছাত্ৰীক কবা ।

110. শিৰোনাম, অধ্যায় শীৰ্ষ আৰু দৃশ্যমান তথ্যৰ ওপৰত ভিত্তি কৰি গল্পটোৰ বিষয় সম্বন্ধে ভাবা । প্ৰয়োজনীয় বুলি ভবা বিষয়ৰ ওপৰত টোকাও লিখা ।

এই পঠন কাৰ্যটো ব্যৱহৃত প্ৰণালী হৈছে –

(1) দৃশ্যমান কৰি তোলা

(2) শব্দ আক্ৰমণ

(3) পূৰ্ব জ্ঞানৰ ব্যৱহাৰ

(4) অনুমান

111. হোটেল এখনৰ তলৰ ঘোষনাকেইটা অধ্যয়ন কৰা । কোনটো শাৰী বা শাৰীবোৰত ভুল আছে বিচাৰি উলিওৱা ।

গৰম, মচলাযুক্ত খাদ্য উপভোগ কৰক ।

আৰু তাজা চকোলেট বিস্কুটৰ সোৱাদ লওক ।

সোৱাদ লবলৈ ইমানবোৰ ভাল আছে ।

(1) শাৰী ১ আৰু ২

(2) শাৰী ১

(3) শাৰী ১ আৰু ৩

(4) শাৰী ৩

112. উদ্ভাৱনৰ সূত্ৰ মতে – ব্যাকৰণৰ শ্ৰেণীত ছাত্ৰ-ছাত্ৰীয়ে

(1) ব্যাকৰণভিত্তিক কাৰ্যক্ৰমত নিযুক্ত হয়, য'ত তেওঁলোকে পৰস্পৰে লগ লাগি ভাবিবলৈ শিকে ।

(2) কিছুমান উদাহৰণৰ সহায়ত নিৰ্দিষ্ট কিছু সংখ্যক নীতি নিৰ্ধাৰণ কৰে ।

(3) কোনো এটা কাৰ্য কৰোঁতে সচেতনভাৱে ব্যাকৰণৰ নিয়মৰ কথা ভাবে ।

(4) শিক্ষকৰ কথামতে ব্যাকৰণগত ভুল শুধৰায় ।

113. 'গতিশীল বুদ্ধি' (Kinesthetic Intelligence) হৈছে এক আহৰণ দক্ষতা য'ত ছাত্ৰ-ছাত্ৰীয়ে -

(1) উচ্চ-বিকশিত শ্ৰৱন দক্ষতা আহৰণ কৰে আৰু ছবিৰ পৰিৱৰ্তে শব্দৰ সহায়তহে চিন্তা কৰে ।

(2) ভাল অনুভৱী সন্তুলন আৰু চকু-হাত সংযোগী গতিৰ সহায়ত নিজকে প্ৰকাশ কৰে ।

(3) সাংগীতিক সংৱেদনশীল হৈ শব্দ, সুৰ আহিত চিন্তা কৰে ।

(4) তথ্যাংশবোৰৰ মাজত সংযোগ ঘটাই যুক্তি আৰু সংখ্যাৰে ধাৰণাৰে ভাবে ।

114. ছাত্ৰ-ছাত্ৰীএ গৰাকীৰ 'বিশেষ শৈক্ষিক আসক্তি' – এ (Specific Academic Aptitudes) –
(1) অনাকাংক্ষিত বা কোওয়াবা সাধাৰণ সহাঁৰি উৎপন্ন কৰে
(2) অন্যই আহৰণ কৰা দক্ষতা আৰু সক্ষমতাক স্বীকৃতি দিয়ে
(3) দক্ষ শৰীৰ গঠন কৰে
(4) নিজৰ ৰূপ থকা বিষয়ত দীঘলীয়া মনোযোগ

115. পূৰ্ব অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল ভাল অসমীয়া ভাব বিনিময় প্ৰনালীক কোৱা হয় -
(1) ধাৰনাৰ সঞ্চাৰ
(2) পূৰ্বৰ শিকন-অভিজ্ঞতাৰ স্থানান্তৰ
(3) প্ৰশ্ন কৰা কৌশল
(4) চাক্ষুক প্ৰদৰ্শন

116. দক্ষতা বিকাশৰ বাবে মগজুসক্ৰিয় কৰণ (simulation) পদ্ধতি ব্যৱহাৰ কৰা শিক্ষক প্ৰশিক্ষণ হৈছে -
(1) পাঠৰ আঁচনি প্ৰস্তুত কৰন
(2) হাতে-কামে দেখুৱাই দিয়া ভিডিঅ' প্ৰদৰ্শন
(3) সূক্ষ্ম শিক্ষণ
(4) বক্তৃতাৰ টোকা প্ৰস্তুত কৰন ।

117. লিখন পদ্ধতিৰ কোনটো স্তৰত 'মুক্ত লিখন', 'মগজুৰ কৃচ্ছ-সাধন', 'সংযোগ কৰন' আৰু 'ধাৰনাৰ চিত্ৰণ' অতি দৰকাৰী ?
(1) প্ৰাক-লিখন
(2) আঁচনি কৰন
(3) পুনৰীক্ষণ
(4) আহিঁ কাকত চোৱাৰ সময়

118. অসাৱধানভাৱে, লাহে লাহে, সুখেৰে, সকলোতে, খৰকৈ-এই শব্দবোৰক তলৰ কোনটো শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি -
(1) বিশেষ্য (2) ধাৰাবাহক
(3) ক্ৰিয়া বিশেষণ (4) সৰ্বনাম

119. 'লিখন কাৰ্য' ৰ উৎকৃষ্ট শৃংখল হৈছে -
(1) সংগ্ৰহ কৰা, সজোৱা, খচৰা প্ৰস্তুত কৰা, পুনৰ খচৰা প্ৰস্তুত কৰা
(2) সংগ্ৰহ কৰা, সজোৱা, পুনৰ খচৰা প্ৰস্তুত কৰা, খচৰা প্ৰস্তুত কৰা
(3) সজোৱা, সংগ্ৰহ কৰা, খচৰা প্ৰস্তুত কৰা, পুনৰ খচৰা প্ৰস্তুত কৰা
(4) খচৰা প্ৰস্তুত কৰা, সংগ্ৰহ কৰা, সজোৱা, পুনৰ খচৰা প্ৰস্তুত কৰা

120. ভাষাৰ শ্ৰেণীত সাহিত্যই ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত
(1) সাংস্কৃতিক দিশৰ উন্মোচন নকৰে
(2) ভাষাত এক নিৰ্ভৰযোগ্য বৈচিত্ৰ্যৰ সীমা প্ৰদৰ্শন কৰে
(3) প্ৰাচীন অসমীয়াৰ আহিঁ দাঙি ধৰে
(4) কঠিন শব্দমালা উপস্থাপন কৰে

পৰীক্ষাৰ্থীয়ে নিম্নলিখিত ভাগৰ প্ৰশ্নবোৰৰ উত্তৰ তেতিয়াহে কৰিব যদি তেওঁলোকে **ভাষা** III ৰ বিকল্প **অসমীয়া** লৈছে ।

## খণ্ড – V
## ভাষা – II
## অসমীয়া

**নির্দেশ** : নিম্নোক্ত গদ্যাংশ ভালদৰে পঢ়া । গদ্যাংশৰ তলত দিয়া **নটা** প্ৰশ্নৰ (প্ৰশ্ন **121** ৰ পৰা **129** লৈ) প্ৰতিটোৰে চাৰিটাকৈ উত্তৰ দিয়া আছে । তাৰ পৰা অতি উপযুক্ত উত্তৰটো চিহ্নিত কৰি প্ৰতিটো প্ৰশ্নৰ উত্তৰ কৰা ।

অসমীয়া ভাষা অতি পুৰাতনীয়া ভাষা । ইয়াৰ মূল সংস্কৃত । সংস্কৃত ভাৰতবৰ্ষৰ আৰ্য জাতিৰ ভাষা । ভাৰতবৰ্ষত আৰ্য উপনিবেশ স্থাপনৰ আৰম্ভনিৰ পৰাই প্ৰাচীন কামৰূপ বা আধুনিক অসম দেশত সংস্কৃত ভাষা আছিল বুলি অনুমান হয় । পশ্চিমে সিন্ধু নদীৰ পাৰত যেতিয়া খৃ:পূৰ্ব ডেৰ হাজাৰমান বছৰৰ পূৰ্বে আৰ্য ভাষা সংস্কৃতৰ বেদ ধ্বনি শুনা গৈছিল তেতিয়াই পূৱে ব্ৰহ্মপুত্ৰ নদৰ পাৰতো তাৰ প্ৰতিধ্বনি উঠিছিল । ৰামায়ণ, মহাভাৰত, কালিকা পুৰাণ আদিতো কামৰূপত অতি পুৰাণ কালৰ পৰা আৰ্য উপনিবেশ সংস্থাপনৰ চিনাকি পোৱা যায় ।

আদিতে আৰ্যজাতিৰ আদি ধৰ্মশাস্ত্ৰ ঋগ্বেদ লিখিত গ্ৰন্থ নাছিল । তাৰ পুন্য শ্লোক বিলাক বংশ পৰম্পৰাক্ৰমে মানুহৰ মুখে মুখে চলিছিল । কালক্ৰমত আৰ্য আৰু অনাৰ্য বা আদিম নিবাসীৰ সংঘৰ্ষনত, সিবিলাকৰ মাত কথাৰ লৰ চৰ ঘটি, সংস্কৃতৰ পৰা কালক্ৰমত পালী, প্ৰাকৃত, মাগধী, সৈন্ধৱী, কামৰূপী আদি ভাষাৰ সৃষ্টি হয় । আৰ্য জাতি সিন্ধু নদৰ পাৰৰ পৰা গংগা নদীৰ উত্তৰ পাৰে ভাৰতবৰ্ষৰ অতি পূব ভাগলৈ বসতি বিস্তাৰ কৰাৰ প্ৰমাণ পোৱা যায় । তেওঁলোকৰ মুখৰ ভাষা স্থানীয় ভাষাৰ সংমিশ্ৰণত লৰ চৰ ঘটি এটা বিশেষ ৰূপত প্ৰৱৰ্তিত হয় ।

অসমীয়া ভাষাৰ অসমীয়া নাম আধুনিক । পুৰণি কালত এই দেশৰ নাম কামৰূপ আছিল, আৰু এই দেশবাসী লোকৰ ভাষাৰ নামো কামৰূপীয়া ভাষা আছিল । কামৰূপৰ সৌমাৰ খণ্ডৰপৰা আৰম্ভ কৰি এতিয়াৰ গোটেই আসাম উপত্যাকাত অহম বা আহোমসকলে অসম প্ৰতাপেৰে আধিপত্য বিস্তাৰ কৰাৰ পাছৰ পৰা যেতিয়া সিবিলাকন নামানুসাৰে এই দেশৰ নাম অসম হয়, তেতিয়াৰ পৰাই এই দেশৰ প্ৰজাৰ ভাষা 'অসমীয়া ভাষা' নামে অভিহিত হয়, সি আজি সাতশ বছৰৰ আগৰ কথা । আৰু যদ্যপি 'আহোম' বা 'অহম' বা 'অসম' শব্দৰ পৰা অসম দেশ আৰু অসমীয়া ভাষাৰ নাম হৈছে, তথাপি ই আহোম ভাষা নহয়, আহোম ভাষা অসমীয়া ভাষাৰ পৰা সম্পূৰ্ণে পৃথক । আহোমৰাজে দেশ শাসনৰ সুবিধাৰ্থে নিজেৰ ভাষা ৰাজকীয় কাৰ্যত নলগাই প্ৰজাৰ এই অসমীয়া ভাষাহে ব্যৱহাৰ কৰিছিল, আহোম ভাষা বুৰঞ্জী আৰু ধৰ্মপুথিতহে ৰৈছিল । তেতিয়াৰে পৰা আহোমসকলেও এই অসমীয়া ভাষাকে মাতৃভাষা বুলি গ্ৰহণ কৰিলে । আৰু আহোম ৰাজত্বৰ আদিছোৱাৰে পৰা অসমীয়া ভাষা ৰাজ ভাষা ৰূপে আদৃত হোৱাত দিনক দিনে তাৰ শ্ৰীবৃদ্ধি হ'বলৈ ধৰিলে; আহোমৰাজে ৰাজ্য বিস্তাৰ কৰোঁতে ভালেমান অসময় আদিমবাসীৰ লগত সংঘৰ্ষণ ঘটিছিল; সেই ছেগতে 'প্ৰজাৰ ভাষা' হৈ সেইবিলাক জাতিৰ ভাষাৰো ভালেমান শব্দ অসমীয়া ভাষাৰ শব্দাৱলীৰ ভিতৰ সোমায় ।

**121.** আৰ্য জাতিৰ আদি ধৰ্মগ্ৰন্থখনৰ নাম কি ?

(1) ৰামায়ণ

(2) ঋগ্বেদ

(3) মহাভাৰত

(4) কালিকা পুৰাণ

**122.** আৰ্যসকলে ক'ত বসাত বিস্তাৰ কৰিছিল ?

(1) সিন্ধু উপত্যকাত

(2) দক্ষিণ ভাৰতত

(3) গংগাৰ উত্তৰ পাৰে ভাৰতবৰ্ষৰ পূব ভাগলৈ

(4) অসম দেশত

**123.** অসমীযা ভাষাৰ অসমীয়া নামটো

(1) অৰ্বাচীন

(2) পুৰণিকলীয়া

(3) আহোমসকলে দিয়া

(4) সৌমাৰ বাসীৰ সৃষ্টি

**124.** কিহৰ পৰা আমাৰ দেশৰ অসম নামৰ উৎপত্তি হয় ?

(1) অসম দেশ অসমান হেতুকে

(2) কাৰো সমান নহয় অৰ্থৰ আলমত

(3) 'অসম' নামৰ এজন ৰজাৰ নামৰ পৰা

(4) আহোম সকলৰ নাম অনুসৰি

**125.** অসমীয়া ভাষা আৰু আহোম ভাষা

(1) বেলেগ

(2) একে

(3) আহোমসকলৰ ৰাজভাষা

(4) কিছু পৰিমানে সদৃশ

**126.** এই দেশৰ ভাষা কেতিয়াৰ পৰা অসমীয়া বুলি অভিহিত হয় ?

(1) সৌ সিদিনাৰ পৰা

(2) আহোমসকলে অসম জয় কৰাৰ পাছৰ পৰা

(3) প্ৰায় সাতশ বছৰ আগৰ পৰা

(4) প্ৰজাৰ ভাষাক নিজৰ ভাষা কৰাৰ পৰা

**127.** 'পুৰাতনীয়া' শব্দৰ অৰ্থ কি ?

(1) পুৰানৰ ভাষা

(2) পুৰাতত্বৰ ভাষা

(3) আইতনীয়া সকলৰ ভাষা

(4) পূৰনিকলীয়া

**128.** কামৰূপত কেতিয়াৰ পৰা সংস্কৃত ভাষা চলিছিল বুলি অনুমান কৰিব পাৰি ?

(1) পুৰণি কালৰ পৰা

(2) ভাৰতত আৰ্য উপনিৱেশ স্থাপনৰ আগৰ পৰা

(3) সংস্কৃত ভাষাৰ জন্মৰ সময়ৰ পৰা

(4) খৃ.পূৰ্ব ডেৰ হাজাৰমান বছৰৰ আগৰ পৰা

**129.** এই লেখাটো কোন সময়ৰ যেন লাগে ?

(1) বৰ্তমান সময়ৰ

(2) এক দশক আগৰ

(3) প্ৰায় এশ-বছৰ আগৰ

(4) পুৰণি কালৰ

**নিৰ্দেশ** : নিম্নোক্ত পদ্যাংশ ভালদৰে পঢ়া । পদ্যাংশৰ তলত দিয়া **ছ** টা প্ৰশ্নৰ (প্ৰশ্ন **130** ৰ পৰা **135** লৈ) প্ৰতিটোৰে চাৰিটাকৈ উত্তৰ দিয়া আছে । তাৰ পৰা অতি উপযুক্ত উত্তৰটো চিহ্নিত কৰি প্ৰতিটো প্ৰশ্নৰ উত্তৰ কৰা ।

একাদিনা মধ্য নিশা ধৃতৰাষ্ট্ৰ ৰায় ।
মহাবীৰ বিদুৰক অনাইলা মতাই ।।
গোপ্যথানে বসি ৰাজা বুলিলা বচন ।
শুনিয়ো বিদুৰ কাৰ্য্য ভৈলেক শোভন ।।
অকন্টকা ভৈল আৰে ৰাজ্য দুইখান ।
পুত্ৰসকলৰ শত্ৰু গুচিলা সন্ধান ।।
মোহৰ মনত বৰ কৌতুক মিলিল ।
কালবাঘ ভীমক যেখনে নিকালিল ।।
আৰে বনবাসত ফুৰোক দুখ পাই ।
খাইবাক ন পাইলে যাইবেক শুখাই ।।

**130.** ধৃতৰাষ্ট্ৰই কাক মতাই আনিছে ?

(1) তেওঁৰ পুত্ৰসকলক

(2) বিদুৰক

(3) ভীমক

(4) কালবাঘক

**131.** এই পদ্যাংশ উদ্ধৃত কৰা হৈছে -

(1) ঋকবেদৰ পৰা

(2) ৰামায়ণৰ পৰা

(3) মহাভাৰতৰ পৰা

(4) গীতাৰ পৰা

**132.** ধৃতৰাষ্ট্ৰ ৰজাই "অকন্টকা ভৈল আৰে ৰাজ্য দুইখান" বুলি কিয় কৈছে ?

(1) তেওঁৰ শত্ৰু পাণ্ডৱসকলৰ মৃত্যু হৈছে

(2) তেওঁৰ পুত্ৰ সকলৰ শত্ৰু পাণ্ডৱসকলৰ বনবাস হৈছে

(3) ধৃতৰাষ্ট্ৰই বহি শত্ৰুক বধ কৰিছে

(4) বিদুৰক মহামন্ত্ৰীপদত অধিষ্ঠিত কৰিছে

**133.** মোহৰ মনত বৰ 'কৌতুক' মিলিল - বাক্যত ব্যৱহৃত 'কৌতুক' শব্দই কি অৰ্থ কৰিছে ?

(1) আনন্দ

(2) হাঁহি

(3) ৰহস্য

(4) মিছা কথা

**134.** ভীম কোন ?

(1) কৌৰৱ সকলৰ এজন

(2) বিদুৰৰ ভ্ৰাতৃ

(3) পঞ্চপাণ্ডৱৰ এজন

(4) ধৃতৰাষ্ট্ৰৰ পৰম শত্ৰু

**135.** ধৃতৰাষ্ট্ৰ হৈছে -

(1) পাণ্ডৱ ৰাজ

(2) বিদুৰৰ পিতৃ

(3) ভীমৰ পিতৃ

(4) কৌৰৱ ৰাজ

**136.** নিম্নোক্ত পঠন মূল্যায়নত তুমি কেনে ধৰনে নম্বৰ দিবা ?

**প্ৰশ্ন** : ধৰ্মশালা ক'ত অৱস্থিত ?

**উত্তৰ 1** : হিমাচল প্ৰদেশত ।

**উত্তৰ 2** : ধৰ্মশালা হিমাচল প্ৰদেশত অৱস্থিত ।

(1) উত্তৰ 2 ৰ কাৰণে 2 নম্বৰ আৰু উত্তৰ 1 ৰ কাৰণে 0 নম্বৰ

(2) উত্তৰ 1 ৰ কাৰণে 1 নম্বৰ আৰু উত্তৰ 2 ৰ কাৰণে 2 নম্বৰ

(3) উত্তৰ 1 ৰ কাৰণে 2 নম্বৰ আৰু উত্তৰ 2 ৰ কাৰণে 2 নম্বৰ

(4) উত্তৰ 2 ৰ কাৰণে $\frac{1}{2}$ নম্বৰ আৰু উত্তৰ 1 ৰ কাৰণে 1 নম্বৰ

**137.** প্ৰশস্ত পঠন বুলিলে বুজায়

(1) অপৰিচিত শব্দৰ অৰ্থ অনুমান কৰা

(2) বিষয়বস্তুৰ ওপৰত সাধাৰণ জ্ঞান লাভৰ বাবে আৰু পঠন আনন্দ লাভৰ বাবে পঢ়া

(3) অন্তৰ্নিহিত কেন্দ্ৰীয় ভাব উপলব্ধিৰ কাৰণে পঢ়া

(4) পাঠ্য বিষয়ৰ সৰ্বাত্মক তথ্যৰ বিষয়ে ভবিষ্যৎ বাণী কৰা

**138.** শ্ৰৱন দক্ষতাৰ মূল্যায়নৰ নিমিত্তে শিক্ষকে কোনো এটা কাৰ্যক্ৰম স্থিৰ কৰে । এই মূল্যায়ন তলৰ কোনটো বিষয়ৰ ওপৰত ভেটি কৰি কৰিব পৰা যায় ?

(1) শিকাৰুক কোনো দৃশ্যমান বস্তুৰ ব্যাখ্যা কৰিবলৈ দি

(2) কোনো সংক্ষিপ্ত চিনেমা চাবলৈ দি আৰু তাকে পুনৰবিন্যাস কৰিবলৈ দি

(3) শ্ৰব্য বানীবদ্ধকৰণ (Audio-Recording) ৰ ভিত্তিত কোনো তালিকাকৰণ কাম সম্পূৰ্ণ কৰিবলৈ দি

(4) শিকাৰুক পাঠাংশ ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ দি

**139.** অনুসন্ধিৎসামূলক শিক্ষা হ'ল এনে কুৰা শিক্ষা, ম'তে

(1) শিক্ষকে শিকাৰুৰ কাৰণে কোনো কাৰ্যক্ৰম ঠিৰাং কৰে আৰু তাক সমৰ্থন কৰে অথবা সুগম কৰি তোলে ।

(2) শিকাৰুৱে নিজে নিজেই অনুসন্ধিৎসাৰ গতি-বিধি নিৰ্ণয় কৰে ।

(3) ওপৰৰ (1) আৰু (2) দুয়োটাই প্ৰযোজ্য ।

(4) কেৱল (2) প্ৰযোজ্য ।

**140.** নিম্নোক্ত উদ্ধৃতিটো পঢ়া ।

'নাস্তিকতা হ'ল ধৰ্ম-প্ৰৱৰ্তকত বিশ্বাস নকৰা এটা মতবাদ ।'

ইয়াত ব্যৱহৃত সাহিত্যিক কৌশলটো হ'ল -

(1) বিশ্লেষণ

(2) অতিশয়োক্তি

(3) শব্দ-লালিত্য

(4) প্ৰতীকবাদ

**141.** মোনাৰ গাড়ী-চলোৱা দক্ষতাৰ <u>উন্নতিৰ এতিয়াও যথেষ্ট অৱকাশ আছে</u> ।

ওপৰৰ বাক্যটোত তলত আঁচ টনা শব্দগুচ্ছই প্ৰকাশ কৰিছে -

(1) মোনাই ভালোদৰে গাড়ী চলাব পৰাৰ এটা কল্প-চিত্ৰ

(2) সাধাৰণ ভাৱে গাড়ী চলোৱাৰ দক্ষতা

(3) মোনা যে গাড়ী চলোৱাত সুদক্ষ নহয়- এই কথাষাৰৰ এক লালিত্যময় অভিব্যক্তি

(4) মোনাৰ অতীতৰ আৰু বৰ্তমানৰ গাড়ী চলোৱাৰ দক্ষতাৰ তুলনা

**142.** কোনো পঠন সামগ্ৰী নোহোৱাকৈ 'প্ৰাক-পঠন' সময় চোৱাত আলোচনাত প্ৰবৃত্ত হোৱাটো ঘনিষ্ঠভাৱে জড়িত

(1) সৃজন-ৰূপান্তৰ পদ্ধতিৰ লগত

(2) প্ৰত্যক্ষ পদ্ধতিৰ লগত

(3) ব্যাকৰণ-অনুবাদ পদ্ধতিৰ লগত

(4) শ্ৰৱণ-কথন পদ্ধতিৰ লগত

**143.** যতি চিন প্ৰয়োগ :

তলৰ বাক্যটোৰ খালি ঠাই পূৰন কৰিবলৈ কোনটো বাক্যাংশ উপযুক্ত হব ?

সাক্ষাৎ কৰাৰ সময় নিৰ্ধাৰিত কৰিবৰ নিমিত্তে আপুনি ______ ৰ লগত কথা পাতিব লাগিব ।

(1) ৰাহুল-তেওঁ পাটিল বাবুৰ সচিব

(2) ৰাহুল, যিজন পাটিল বাবুৰ সচিব, তেওঁ

(3) ৰাহুলৰ লগত । তেওঁ পাটিল বাবুৰ সচিব ।

(4) ৰাহুল, তেওঁ পাটিল বাবুৰ সচিব ।

**144.** সাধাৰণ শিক্ষা আৰু বিশেষ শিক্ষাৰ মাজত ভেদ ৰক্ষা নকৰা বিদ্যালয়ক বোলা হয়

(1) বিশেষজ্ঞ উৎপাদক

(2) একচেতীয়া

(3) মানদণ্ড সম্পন্ন

(4) সকলো বিষয় সামৰা

**145.** প্ৰতিটো শিক্ষা সদনৰ শেষত শিক্ষকে শিকাৰুৰ শ্ৰৱণ, কথন, পঠন আৰু লিখন দক্ষতাৰ অগ্ৰগতিৰ পৰীক্ষা লয় । এনে ধৰনৰ পৰীক্ষাৰ উদ্দেশ্য হ'ল -

(1) শিক্ষাৰ্থীৰ ভাষা শিক্ষাৰ অগ্ৰগতিৰ বুজ লোৱা

(2) শিক্ষকক পাঠ্যক্ৰমৰ উদ্দেশ্য সমূহৰ বুজোৱাত সহায় কৰা

(3) শিকাৰুৰ সামগ্ৰিক দক্ষতাৰ বুজ লোৱা

(4) ভাষা শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনোভাব বা দৃষ্টিভংগী কেনেকুৱা সেই কথা নিৰ্ণয় কৰা ।

**146.** বৈদ্যুতিন-শিক্ষা (E-learning) হ'ল -

(1) দূৰ-সংযোগী শিক্ষা

(2) যন্ত্ৰ পাতিৰ সক্ৰিয় আৰু সুসংহত ব্যৱহাৰৰ যোগে ভাষা শিক্ষা

(3) শিকন ব্যৱস্থাৰ লগত আধুনিক কলা-কৌশলক সুসংযোগিত কৰি কৰা শিক্ষাদান

(4) তথ্য চিত্ৰ প্ৰদৰ্শন যোগে শিক্ষা দান

**147.** যদি শিক্ষকে তামিল ভাষাৰ পঠন অনুশীলনীৰ কাৰণে নিৰ্ভৰ যোগ্য বা বিশ্বস্ত পাঠ সন্নিবিষ্ট কৰিব খোজে তেনেহলে তেওঁ তলৰ কোনটো বিষয়ক বাদ দি আন বিষয় লব পাৰে ?

(1) কোনো এখন তামিল বাতৰি কাকত

(2) তামিল ভাষালৈ অনুবাদ কৰা আদৰ্শ পাঠৰ ওপৰত ইংৰাজী বাতৰি কাকতত লিখা প্ৰবন্ধ

(3) তামিলনাদুৰ কোনো কোম্পানীয়ে যুগুত কৰা চাকৰিৰ দৰ্খাস্তৰ প্ৰপত্ৰ

(4) কোইম্বাটৰ চহৰত ব্যৱহৃত পথ-সংকেত (road sign) ৰ ফটো

**148.** তলৰ কোনটো ভাষাগত ভাব বিনিময় প্ৰণালী নহয় ?

(1) কথিত শব্দৰ প্ৰয়োগ

(2) অঙ্গী-ভঙ্গীৰ ব্যৱহাৰ

(3) সংখ্যা বুজোৱা শব্দৰ প্ৰয়োগ

(4) লিখিত শব্দৰ ব্যৱহাৰ

**149.** তলৰ কোনটোক বাদ দি বাকীবোৰ পৰস্পৰৰ সহযোগত চলা দলগত শিকন প্ৰক্ৰিয়াৰ লগত ঘনিষ্ঠভাৱে জড়িত ?

(1) শিকাৰুৰ অভ্যাসৰ কাৰণে যথেষ্ট সময় প্ৰদান

(2) হাই-উৰুমিবিহীন শৃংখলাবদ্ধ শ্ৰেণী

(3) শিক্ষক-কেন্দ্ৰিক প্ৰশিক্ষণৰ বিকল্প

(4) হতাশ শিকাৰুক উদগনি দিবৰ বাবে সহপাঠীক জড়িত কৰা

**150.** পঠনৰ ক্ষেত্ৰত তলত উল্লেখ কৰা কোনটো কৌশল অনুমান-ভিত্তিক উপলব্ধিৰ লগত জড়িত ?

(1) পৰিচ্ছেদত প্ৰদত্ত কথাৰ সহায়ত পৰিচ্ছেদত নথকা কথাৰ বিষয়ে ধাৰণা কৰা

(2) পঠন পৰিচ্ছেদৰ বিভিন্ন অংশত সিচৰিত হৈ থকা তথ্য সংলগ্ন কৰা

(3) পঠন অনুচ্ছেদৰ পৰা কি তথ্য পাব সেই সম্পৰ্কে বুদ্ধিদীপ্ত পূৰ্বানুমান কৰা

(4) অপৰিচিত শব্দৰ অৰ্থ অন্বেষণ কৰা

SPACE FOR ROUGH WORK

**তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়া :**

1. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে । শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত নীলা/ক'লা বল পেনেৰ ঘূৰণীয়াকৈ বোলাই দিয়া । এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা ।

2. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব । পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন ।

3. প্ৰশ্নপত্ৰ আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা । কাৰণ প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰ দিয়া নহ'ব ।

4. পৰীক্ষা পত্ৰ/উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবা ।

5. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে ।

6. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব ।

7. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব ।

8. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব । যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত হস্তাক্ষৰ নকৰে তেনেহলে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব ।

9. ইলেক্ট্ৰনিক/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব ।

10. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব । সকলো অনুচিত কাৰ্যৰবাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব ।

11. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব ।

12. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পুৰ্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব । পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে ।**

**READ CAREFULLY THE FOLLOWING INSTRUCTIONS :**

1. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with Blue/Black Ball Point Pen on Side-2 of the OMR Answer Sheet. The answer once marked is not liable to be changed.
2. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
3. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
4. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet / Answer Sheet in the Attendance Sheet.
5. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/ room.
6. Each candidate must show on demand his / her Admission Card to the Invigilator.
7. No candidate, without special permission of the Superintendent or Invigilator, should leave his / her seat.
8. The candidates should not leave the Examination Hall without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet a second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case.
9. Use of Electronic / Manual Calculator is prohibited.
10. The candidates are governed by all Rules and Regulations of the Board with regard to their conduct in the Examination Hall. All cases of unfair means will be dealt with as per Rules and Regulations of the Board.
11. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
12. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Room / Hall. *The candidates are allowed to take away this Test Booklet with them.***

**निम्नलिखित निर्देश ध्यान से पढ़ें :**

1. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के पृष्ठ-2 पर केवल एक वृत्त को ही पूरी तरह नीले/काले बॉल पॉइन्ट पेन से भरें । एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है ।
2. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ । परीक्षार्थी अपना अनुक्रमांक उत्तर पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें ।
3. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के संकेत या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी ।
4. परीक्षा पुस्तिका / उत्तर पत्र में दिए गए परीक्षा पुस्तिका संकेत व संख्या को परीक्षार्थी सही तरीके से हाज़िरी-पत्र में लिखें ।
5. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश कार्ड के सिवाय किसी प्रकार की पाठ्य सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है ।
6. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-कार्ड दिखाएँ ।
7. अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें ।
8. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं हाज़िरी-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल नहीं छोड़ेंगे । यदि किसी परीक्षार्थी ने दूसरी बार हाज़िरी-पत्र पर हस्ताक्षर नहीं किए तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा ।
9. इलेक्ट्रॉनिक / हस्तचालित परिकलक का उपयोग वर्जित है ।
10. परीक्षा-हॉल में आचरण के लिए परीक्षार्थी बोर्ड के सभी नियमों एवं विनियमों द्वारा नियमित हैं । अनुचित साधनों के सभी मामलों का फैसला बोर्ड के नियमों एवं विनियमों के अनुसार होगा ।
11. किसी हालत में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें ।
12. **परीक्षा सम्पन्न होने पर, परीक्षार्थी कक्ष / हॉल छोड़ने से पूर्व उत्तर पत्र कक्ष-निरीक्षक को अवश्य सौंप दें । *परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं ।***

SEAL